জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২১/২০২০

শিৱসাগৰ জিলাৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# প্ৰশাসনক জনমুখী কৰি তোলাৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক কাৰ্যালয়তে বহি নাথাকি ৰাইজৰ মাজলৈ যাবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভা কক্ষত জিলাখনৰ বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ জিলাখনত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত মাটিৰ পট্টা বিতৰণ, প্ৰধানমন্ত্ৰী আৱাস যোজনা, জলজীৱন মিছন, আধাৰৰ পঞ্জীয়ন, সৌভাগ্য, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, মীন, সামাজিক বনানীকৰণ, স্বয়ম আদিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ কাম-কাজ ক্ষিপ্ৰগতিত আগুৱাই নিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত প্ৰথম পৰ্যায়ত ভূমিহীন খিলঞ্জীয়াক পট্টা আৰু অনুমোদন পত্ৰ সফলভাৱে বিতৰণৰ পাছত দ্বিতীয় পৰ্যায়ত লক্ষ্য নিৰ্দ্ধাৰিত ৫৫০০ টা পৰিয়ালক ডিচেম্বৰৰ ভিতৰত ভূমিপট্টা প্ৰদানৰ বাবে সাজু কৰি তুলিবলৈ তেওঁ নিৰ্দেশ দিয়ে। শিৱসাগৰ জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ লক্ষ্য নিৰ্দ্ধাৰিত গৃহ নিৰ্মাণ কাৰ্যত গুণগত মান অক্ষুণ্ণ ৰখাৰ ওপৰত তেওঁ অগ্ৰাধিকাৰ প্ৰদান কৰে। একেদৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)ৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ তথা গৃহ নিৰ্মাণ কাৰ্যত গুণগত মান অক্ষুন্ন ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। শিলা বৃষ্টি আৰু ধুমুহাৰ দৰে দুৰ্যোগ প্ৰতিহত কৰিব পৰাকৈ এই গৃহসমূহত উন্নত মানৰ টিনপাত লগোৱাৰ দিশত বিশেষ দৃষ্টি ৰাখিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ জিলাত জলজীৱন মিছন ৰূপায়ণৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জিলাখনৰ প্ৰতিটো পৰিয়াললৈকে নল যোগে বিশুদ্ধ পানী যোগান সুনিশ্চিত কৰাৰ বাবে এই মিছনৰ কাম-কাজ দ্ৰুততাৰে আগুৱাই নিবলৈ তেওঁ নিৰ্দেশ দিয়ে। শিৱসাগৰ জিলাৰ নাগৰিকসকলৰ আধাৰ পঞ্জীয়নৰ কাম যথাসম্ভৱ সোনকালে সম্পূৰ্ণ কৰি তোলাৰ স্বাৰ্থত বৰ্তমানে নিয়োজিত প্ৰতিষ্ঠানৰ উপৰি প্ৰয়োজন সাপেক্ষে অতিৰিক্ত প্ৰতিষ্ঠানক নিয়োজিত কৰিবলৈ তথা এই কাৰ্যৰ বিনিময়ত যাতে কোনেও সৰ্বসাধাৰণ ৰাইজৰ লগত ধনৰ লেন-দেন কৰিব নোৱাৰে সেই দিশত চোকা দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এনেধৰণৰ দুষ্কাৰ্যত লিপ্ত ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বিগত ১০ টা মাহত শিৱসাগৰ জিলাৰ বিদ্যুৎ পৰিস্থিতিৰ যথেষ্ট উন্নতি ঘটা বুলি শক্তি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বিভাগৰ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে শিৱসাগৰ জিলাৰ শেহতীয়া ক'ভিড-১৯ পৰিস্থিতিৰো পৰ্যালোচনা কৰে। জিলাখনত ক'ভিড পৰিস্থিতি সুন্দৰভাৱে নিয়ন্ত্ৰণ কৰাত লাভ কৰাৰ সফলতাৰ বাবে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ মাজত স্বাস্থ্য বিষয়ক সজাগতা অটুট ৰাখিবৰ বাবে তেওঁলোকে ভৱিষ্যতৰ দিনসমূহতো অধিক দায়বদ্ধতাৰে কৰ্তব্য ৰূপায়ণত আত্মনিয়োগ কৰিব লাগিব।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ জিলাত পশুপালন আৰু দুগ্ধ উন্নয়ন খণ্ডত হোৱা শেহতীয়া কাম-কাজসমূহৰো পৰ্যালোচনা কৰে। জিলাখনৰ নাজিৰাত অসম পশুধন আৰু হাঁহ কুকুৰা নিগমৰ অধীনত এক বৃহৎ গাহৰি সংসাধন উদ্যোগৰ কাম-কাজ অব্যাহত থকাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই উদ্যোগ কাৰ্যক্ষম হৈ উঠিলে অঞ্চলটোৰ ১৫ হাজাৰ গাহৰি পালক প্ৰত্যক্ষভাৱে উপকৃত হোৱাৰ লগতে প্ৰতিদিনে ৪০ হাজাৰ কিলোগ্ৰাম গাহৰি মাংস বাহিৰলৈ ৰপ্তানি কৰিব পৰা যাব। অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নত ই এক যুগান্তকাৰী প্ৰভাৱ পেলাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মাথো পশুপালন খণ্ডত ভালদৰে মনোনিবেশ কৰিলেই অসমৰ অৰ্থনীতিক দৃশ্যপট সলাই দিব পৰা যাব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনত প্ৰতিমাহে ৩ হাজাৰ কোটি টকাৰ গাহৰি মাংসৰ ব্যৱসায় হয়। সেইদৰে মাথো গুৱাহাটী মহানগৰীতে প্ৰতিদিনে ২০ লাখ টা কণীৰ প্ৰয়োজন হয়। সেয়েহে এই খণ্ডটোত আত্মনিয়োগ কৰিবৰ বাবে নতুন প্ৰজন্মক উৎসাহিত কৰাৰ পদক্ষেপ ল'বলৈ তেওঁ বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়।

ৰাজ্যখনত এক সুস্থ কৰ্ম পৰিৱেশ গঢ়ি তোলা আৰু প্ৰশাসনক জনমুখী কৰি তোলাৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক মাথো কাৰ্যালতে বহি নাথাকি ৰাইজৰ মাজলৈ যাবলৈ তেওঁ আহ্বান জনায়। বিগত চাৰে চাৰি বছৰীয়া কাৰ্যালয়ত মুখ্যমন্ত্ৰী হিচাপে তেওঁ নিজেও একো একোখন জিলা ২০-২৫ বাৰলৈকে ভ্ৰমণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে তেওঁ জিলাসমূহৰ ৰাইজৰ অভাৱ-অভিযোগ আৰু সমস্যাসমূহ সঠিকভাৱে বুজি উঠাত সহায়ক হৈছে। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহ ভ্ৰমণ কৰি ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সুৰক্ষা, জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰয়োজনীয়তা আদি বিষয়ত সজাগ কৰি তোলাৰ পদক্ষেপ ল'বলৈও তেওঁ বন বিভাগকে ধৰি উচ্চস্তৰৰ চৰকাৰী বিষয়াসকলক আহ্বান জনায়।

আজিৰ এই পৰ্যালোচনা বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মোহন, সাংসদ তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়ক কুশল দুৱৰী, উপায়ুক্ত লক্ষ্মীনন্দন গগৈ, আৰক্ষী অধীক্ষক অমিতাভ সিনহাকে ধৰি স্বাস্থ্য, লোক নিৰ্মাণ, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, কৃষি, মীন, বন, শক্তি, পশুপালন আৰু দুগ্ধ উন্নয়ন আদি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৩১/১০/২০২০**